জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ২৫৬/২০২২**

# গ্ৰাম্য অৰ্থনীতি সবলীকৰণৰ লক্ষ্যৰে কৃষি বিভাগে ৰূপায়ণ কৰিবলগীয়া প্ৰকল্পৰ পৰ্যালোচনা কৰিলে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ২৫ আগষ্ট ঃ** ৰাজ্যখনৰ গ্ৰাম্য অৰ্থনীতি সবলীকৰণৰ পদক্ষেপসমূহক বিশেষ গতি দিয়াৰ উদ্দেশ্যে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ পৌৰোহিত্যত আজি জনতা ভৱনস্থিত মুখ্যমন্ত্ৰীৰ সভাকক্ষত কৃষি বিভাগ আৰু মুখ্যমন্ত্ৰী সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনাৰ বিষয়াসকলৰ এক বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত তৃণমূল পৰ্যায়ত কৃষকৰ প্ৰয়োজনীয়তাসমূহ পূৰণ কৰাৰ লক্ষ্যৰে কৃষি বিভাগে লোৱা পদক্ষেপসমূহৰ সন্দৰ্ভত বিতংভাৱে আলোচনা কৰা হয়।

ৰাজ্যত অধিক ধান কল স্থাপন কৰাৰ লগতে মজলীয়া আৰু ক্ষুদ্ৰ কৃষকৰ গোট হিচাপে পৰিগণিত 'ফাৰ্মাৰ প্ৰডিউচাৰ কোম্পানী'সমূহক ধান কটা যন্ত্ৰ (কম্বাইন হাৰ্ভেষ্টৰ) আৰু মিনি ট্ৰাক যোগান ধৰাৰ বাবে কৃষি বিভাগে গ্ৰহণ কৰা পদক্ষেপসমূহৰ বিষয়ে আজিৰ এই বৈঠকত আলোচনা কৰা হয়। কৃষকসকলক অধিক সহযোগিতা আগবঢ়োৱাৰ ওপৰত গুৰুত্ব আৰোপ কৰি মুখ্যমন্ত্ৰীয়ে ৰাজ্যৰ কৃষিখণ্ডত এনে এক ব্যৱস্থা গঢ়ি তোলাৰ ওপৰত গুৰুত্ব আৰোপ কৰে যি বৰ্দ্ধিত ধান ক্ৰয়ৰ সুবিধা সৃষ্টি কৰাৰ লগতে কৃষিজাত সামগ্ৰী ৰপ্তানিৰ পৰিসৰো বৃদ্ধি কৰিব পাৰে। মুখ্যমন্ত্ৰীয়ে লগতে প্ৰস্তাৱিত পদক্ষেপসমূহ কৃষকসকলৰ বাবে অধিক উপযোগী আৰু সুলভ কৰি তুলিবলৈ কেইবাটাও পৰামৰ্শ আগবঢ়ায়।

মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যখনত ২০০ মেট্ৰিকটন ধান বনাৰ ক্ষমতা সম্পন্ন ৫০ টা ধান মিল স্থাপনৰ বাবে ৰাজ্য চৰকাৰে সহযোগিতা আগবঢ়াব। ধান কলৰ সামৰ্থ অনুসৰি ১০ ৰ পৰা ৪০ লাখ টকালৈকে ৰাজসাহায্যযুক্ত এই পদক্ষেপ মুখ্যমন্ত্ৰীৰ সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনা আৰু কৃষি আন্তঃগাঁথনি পুঁজি (এ আই এফ)ৰ যুটীয়া উদ্যোগত ৰূপায়ণ কৰা হ'ব বুলি তেওঁ কয়।

কৃষি আন্তঃগাঁথনি পুঁজিৰ অধীনত ১ হাজাৰ টা ক্ষুদ্ৰ ধান কল স্থাপনৰ বাবে ৰাজ্য চৰকাৰে সহযোগিতা আগবঢ়াব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। ইয়াৰ বাবে প্ৰতিটো ধান কল স্থাপনৰ বাবে ১.১৭ লাখ টকা পৰ্যন্ত ৰাজসাহায্য প্ৰদান কৰা হ'ব। আনহাতে, কৃষি বিভাগে গ্ৰহণ কৰা পদক্ষেপৰ অধীনত কৃষক উৎপাদক গোটসমূহক ৯০ শতাংশ ৰাজসাহায্যযুক্ত ধান কটা যন্ত্ৰ (কম্বাইন হাৰ্ভেষ্টাৰ) প্ৰদান কৰা হ'ব। মুখ্যমন্ত্ৰী ড° শৰ্মাই এই বৈঠকতে কৃষি বিভাগে প্ৰস্তাৱ কৰা অনুসৰি ৩০ শতাংশ বা ১.৫ লাখ টকালৈ ৰাজসাহায্যযুক্ত মিনি ট্ৰাক কৃষক উৎপাদক গোটসমূহক প্ৰদান কৰিবলৈ লোৱা পদক্ষেপ ৰূপায়ণৰ বাবেও অনুমতি প্ৰদান কৰে।

আজিৰ বৈঠকত কৃষি মন্ত্ৰী অতুল বৰা, বিত্ত মন্ত্ৰী অজন্তা নেওগ, খাদ্য আৰু অসামৰিক যোগান বিভাগৰ অতিৰিক্ত মুখ্য সচিব বিশ্বৰঞ্জন চামাল, কৃষি বিভাগৰ অতিৰিক্ত মুখ্য সচিব ড° আশীষ কুমাৰ ভূটানী, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সমীৰ কুমাৰ সিনহা, মুখ্যমন্ত্ৰী গ্ৰাম্য উন্নয়ন যোজনাৰ মুখ্য কাৰ্যবাহী বিষয়া পদ্মপাণী বৰা প্ৰমুখ্যে আন বিষয়াবৰ্গ উপস্থিত থাকে।

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in

জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰী ড° শৰ্মাই বিত্ত বিভাগৰ বিষয়াসকলৰ সৈতে নিডা (নাবাৰ্ড ইনফ্ৰাষ্ট্ৰাকছাৰ ডেভেলপমেণ্ট এছিচটেন্স), আৰ আই ডি এফ (ৰুৰেল ইনফ্ৰাষ্ট্ৰাকচাৰ ডেভেলপমেণ্ট ফাণ্ড) আৰু ৰিয়াছ (ৰুৰেল ইনফ্ৰাষ্ট্ৰাকচাৰ এছিচটেন্স টু ষ্টেট গভাৰ্ণমেণ্ট)ৰ অধীনত গ্ৰহণ কৰিবলগীয়া বিভিন্ন প্ৰকল্প সম্পৰ্কে আলোচনা কৰে। ৰাজ্যত ২ হাজাৰ অংগনৱাড়ী কেন্দ্ৰ নিৰ্মাণ, বকোত বৃদ্ধাৱাস নিৰ্মাণ, জঙালবলহু গড়ৰ পৰ্যটন প্ৰকল্প, চন্দ্ৰপুৰত ক্ৰীড়া প্ৰকল্প আদি নিডাৰ অধীনত ৰূপায়ণৰ সম্পৰ্কে বৈঠকত আলোচনা কৰা হয়। মুখ্যমন্ত্ৰীয়ে বিষয়াসকলক আৰ আই ডি এফৰ অধীনত ক্ষিপ্ৰতাৰে পুঁজি মুকলি কৰাৰ লগতে ৰিয়াছৰ অধীনত গ্ৰহণ কৰিব পৰা উপাৰ্জনমুখী আৰু জীৱিকা সৃষ্টিকাৰী প্ৰকল্প চিনাক্ত কৰিবলৈ নিৰ্দেশ দিয়ে।

**ৰীঃগঃ / পুঃডেঃ**
**২৫/০৮/২০২২**